প্ৰতিযোগিতামূলক মনোভাৱেৰে সুসম্পন্ন কৰে। কিন্তু দুখৰ বিষয় এই যে এই কাম-কাজবোৰত খুব কম সংখ্যক শিক্ষাৰ্থীৰহে সহযোগিতা পোৱা হ'ল। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাত সমাজ সেৱা মূলক কাম-কাজত অংশ গ্ৰহণকাৰী সকলৰ ভিতৰত ৮ জনক প্ৰথম পুৰস্কাৰ আৰু ১২ জনক দ্বিতীয় পুৰস্কাৰেৰে পুৰস্কৃত কৰা হয়। ইয়াৰ উপৰিও শ্ৰীবশিষ্ঠ দেৱ শৰ্মাক বছৰটোৰ শ্ৰেষ্ঠ সমাজসেৱক হিচাপে মনোনীত কৰা হয়।

চিৰ সেউজ বৰ্কোৰ সেউজ বঢ়াবলৈ আৰু প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিবলৈ বনাঞ্চল ৰক্ষা হ'বই লাগিব। সেই তাগিদাত মহাবিদ্যালয় চৌহদত সামাজিক বনানীকৰণ বিভাগৰ সৈতে যোগাযোগ কৰি প্ৰায় ২৫০ জোপা গছ ৰোৱা হয়। এই চেগতে বিভাগীয় বন বিষয়া শ্ৰীযুত প্ৰহ্লাদ বড়োদেৱক উক্ত কাৰ্য্যত তেখেতৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বৃক্ষ ৰোপণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰা অতিথি, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্য্যবাহী সদস্য শ্ৰীযুত কৰ্ণ ভূষণ ৰাভাদেৱৰ শলাগ ললোঁ।

শেষত 'ব্যক্তি আৰু সমাজ এক মুদ্ৰাৰ দুই পিঠি'। সেয়ে ইয়াৰ গুৰুত্ববুজি মহাবিদ্যালয়ৰ শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ কৰণীয় বিভিন্ন দিশত মনোনিবেশ কৰিবলৈ আহ্বান জনালোঁ।

কৃতজ্ঞতা ঃ মোৰ কাৰ্য্যকালত মোক বিভিন্ন ধৰণে দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা কৰা সমাজ সেৱা বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত প্ৰহ্লাদ ভৰালী চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সমূহ অধ্যাপক, অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতা যাচিছোঁ। বিভিন্ন দিশত সৎ পৰামৰ্শ দি সহায় কৰাৰ বাবে দক্ষিণ-পশ্চিম কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি কলম মেধি, সম্পাদক বশিষ্ঠ দেৱ শৰ্মা, কাৰ্য্যনিৰ্বাহক গোবিন্দ দলৈ, পৱন কলিতালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোক বিভিন্ন দিশত সহায় কৰা বন্ধু-বান্ধৱী ক্ৰমে — থানেশ্বৰ, বলেন, নৃপেন, ননী, পুলেন, নৰকান্ত, ছাইফুল, জিতু, নিবাৰণ, প্ৰাঞ্জীত, অমৰ, প্ৰহ্লাদ, নয়ন, জাহিৰুদ্দিন, চিত্তৰঞ্জন, মণিৰুদ্দিন, জয়ন্ত, নুৰ, জ্বলিমণি, ইলা, নিতু, মমতা, ভানু, নীলিমা, জনতা, জয়ান্তী আৰু প্ৰতিমালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্য্যকালছোৱাত হোৱা অজানিত ভুলৰ ক্ষমা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি বাৰ্ষিক প্ৰতিবেদন ইমানতে সামৰিলোঁ।

॥ জয় আই অসম ॥


॥ জয়তু জৱাহৰ জ্যোতি ॥

বিনম্ৰতাৰে

**শ্ৰীধনঞ্জয় মেধি**

*সমাজ সেৱা বিভাগৰ সম্পাদক*

জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে জ্ঞাত অজ্ঞাত ছহিদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ আৰু আশা ৰাখিছোঁ তেওঁলোকৰ ত্যাগৰ নিদৰ্শনে যুৱ শক্তিক প্ৰেৰণা যোগাই থাকিব। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু কাৰ্য্যালয়ৰ সহকাৰী, বন্ধু-বান্ধৱীসকললৈয়ো মোৰ কৃতজ্ঞতা যাচিছোঁ। লগতে ইংৰাজী ১৯৯৯-২০০০ বছৰটোৰ বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে সাধাৰণ নিৰ্বাচনত নিৰ্বাচিত কৰি এই মহান শিক্ষানুষ্ঠানটোলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ত মহাবিদ্যালয় সপ্তাহ বৰ উলহ মালহেৰে পালন কৰা হয়। এইবাৰ মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠাৰ ফালৰ পৰা কেৰম, বেডমিণ্টন, ডবা, পাঞ্জা আৰু শৰীৰ চৰ্চা (Body Building) প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কেৰম, বেডমিণ্টন, ডবা আৰু পাঞ্জা খেল প্ৰতিযোগিতাত প্ৰতিযোগীসকলে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। কিন্তু শৰীৰ চৰ্চা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক নাছিল। আকৌ ফেশ্বন (Modeling), Mixed Double Badminton আৰু Mixed Double Carrom খেল প্ৰতিযোগিতাত প্ৰতিযোগীয়ে যোগদান কৰা নাছিল। আশা কৰোঁ ভৱিষ্যতে আৰু অধিক সংখ্যক প্ৰতিযোগীয়ে প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি নিজ নিজ পাৰদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হ'ব আৰু আন্তঃ মহাবিদ্যালয় খেল সমূহৰ প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰিব পাৰিব। যোগদানকাৰী সমূহ প্ৰতিযোগীকে এই ছেগতে মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ।

মই প্ৰত্যক্ষ কৰিলোঁ যে মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাত প্ৰতিযোগীসকলে নাম দাখিল কৰিয়েই ক্ষান্ত থাকে। সময়ত উপস্থিত হ'বলৈ বহুতে অনিহা প্ৰকাশ কৰে। ফলত প্ৰকৃত প্ৰতিযোগীৰ সংখ্যা তাকৰ হৈ পৰে। গতিকে এই প্ৰতিবেদনৰ যোগেদি পৰৱৰ্তী ছাত্ৰ বন্ধু সকলক অনুৰোধ জনাওঁ যে সবহ সংখ্যক প্ৰতিযোগীৰ সক্ৰিয় অংশ গ্ৰহণেৰে মহাবিদ্যালয় সপ্তাহ সফল কৰি তোলে।

ব্যক্তি এজন শাৰীৰিক, মানসিক, বৌদ্ধিক আদি সকলো দিশত বিকশিত হ'বলৈ শিক্ষা আহৰণৰ লগতে খেল-ধেমালিৰ নিতান্ত প্ৰয়োজন। খেল-ধেমালিৰ জৰিয়তে ব্যক্তিৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ লগতে মানসিক উৎকৰ্ষ সাধনো হয়। সেয়ে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ কৰোঁ যে তেওঁলোকে যেন খেলা-ধূলাৰ প্ৰতি বিশেষ মনোযোগী আৰু আগ্ৰহী হয়।

মহাবিদ্যালয় এখনৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ বাবে ছাত্ৰ জিৰণি কোঠাৰ ভূমিকা উলাই কৰিব পৰা বিধৰ নহয়। ছাত্ৰ জিৰণি কোঠাৰ অভাৱ-অভিযোগৰ কথা উল্লেখ নকৰি, প্ৰায় তিনিশ মান ছাত্ৰৰ অৱসৰ বিনোদনৰ উপযোগীকৈ পৰিবেশ সৃষ্টি কৰি খেলা-ধূলা আৰু অধ্যয়নৰ নিতান্ত লাগতিয়াল

সামগ্ৰী নিয়মিত যোগান ধৰি উক্ত কোঠাৰ অৱস্থিতি আৰু প্ৰয়োজনীয়তা সাৰ্থক কৰি তুলিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত মোৰ প্ৰতিবেদনৰ জৰিয়তে টানি অনুৰোধ জনালোঁ। তাৰোপৰি আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে খেলাৰ সামগ্ৰী তেনেই কম। সেয়ে খেলৰ সামগ্ৰী পৰ্য্যাপ্ত পৰিমাণে মজুত আৰু যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক মই ইয়াৰে টানি অনুৰোধ জনালোঁ।

কাৰ্য্য পৰিচালনা কৰাত মোক বিভিন্ন ধৰণে সহায়-সহযোগ তথা দিহা-পৰামৰ্শ দি উপকৃত কৰা ছাত্ৰ জিৰণি কোঠাৰ তত্ত্বাৱধায়ক ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ মাননীয় শ্ৰীযুত অপূৰ্ব কুমাৰ গোস্বামীদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। মোৰ কাৰ্য্যকালত বিশেষভাৱে সহায় কৰা বন্ধু-বান্ধৱীসকল ক্ৰমে - অৰূপ ৰায়, বিৰিঞ্চি, জেমছ, সঞ্জয়, বিষ্ণু, সংগীত, মহৎ, দেৱা, দীপক, একলব্য, নুৰ, উমা, মনোজ, ফণিন, মিণ্টু, মণি, মনিন্দ্ৰ, বিজয়, মহানন্দ, চৈতন্য, বঞ্চিত, দিলৰুৱা, মিনাক্ষী আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ লগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। আমাৰ বৰ্ষৰ কাৰ্য্যালয়ৰ সহায়ক অজয়, সদানন্দৰ লগতে পদ্ম, জীৱেশ্বৰ, ভাৰত, শংকৰ, বিলেশ্বৰ, পূৰ্ণদা আৰু সভাকাইলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত এই অভাজনে, কৰ্তব্য পালন কৰোতে হোৱা জ্ঞাত-অজ্ঞাত ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি, মহাবিদ্যালয়ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিছোঁ।

॥ জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ॥

॥ জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা ॥

॥ জয় আই অসম ॥

ধন্যবাদেৰে

**শ্ৰীপংকজ কলিতা**

*সম্পাদক, ছাত্ৰ জিৰণি কোঠা*

জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।



# ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৯-২০০০ চনৰ ছাত্ৰ একতা সভাৰ 'ছাত্ৰী জিৰণি কোঠা'ৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি মোক মহান অনুষ্ঠানটোৰ সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ লোৱাৰ কিছুদিন পিছতে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ছাত্ৰী জিৰণি কোঠাৰ ফালৰ পৰা অনুষ্ঠিত কৰা প্ৰতিযোগিতা সমূহৰ ভিতৰত বেডমিণ্টন, কেৰম, ৰিং, পাঞ্জা, অন্তাক্ষৰী আদিয়ে প্ৰধান আছিল।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ চলাই যাওঁতে কিছুমান অসুবিধাৰ সন্মুখীন হৈছিলোঁ। ইয়াৰ ভিতৰত প্ৰধান আছিল ছাত্ৰী জিৰণি কোঠাটো ছাত্ৰী অনুপাতে সৰু হোৱাটো। কোঠাটো আহল-বহলকৈ নিৰ্মাণ কৰাৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত মোক দিহা-পৰামৰ্শ দি দায়িত্ব পালনত সহায় কৰাৰ বাবে তত্ত্বাৱধায়িকা অধ্যাপিকা শ্ৰীৰত্নামালা শৰ্মা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্যকালত প্ৰতিটো মুহূৰ্তত সহায়-সহযোগকৰা হেমন্তদা, সোণমণি, অশ্ৰু বাইদেউ, মনিষা দেৱীক অশেষ ধন্যবাদ জনাইছোঁ।

শেষত কাৰ্য্যভাৰ চলাই যাওঁতে অজানিতে হোৱা ভুলৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰপ্ৰতিবেদন ইমানতে সামৰিলোঁ।


॥ জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় ॥

ধন্যবাদেৰে

**শ্ৰীতৰালী কলিতা**

*সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা*

জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।



# আলোচনী বিভাগৰ সহঃ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱীলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মই ১৯৯৯-২০০০ ইং চনৰ আলোচনী সহকাৰী সম্পাদকৰ পদত প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলোঁ। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহ উপলক্ষে আমি সাহিত্য বিভাগৰ বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। প্ৰতিযোগিতা সমূহত ১ম আৰু ২য় স্থান পোৱাসকলক প্ৰমাণ পত্ৰসহ পুৰস্কৃত কৰা হয়। ইয়াতে মই একাষাৰ কথা ক'বলৈ বাধ্য হলো যে আমাৰ মহাবিদ্যালয়ত লিখা মেলাৰ সুন্দৰ পৰিবেশ আছে যদিও এই ক্ষেত্ৰত আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই তাকৰ। আমি আশা কৰিছোঁ ভৱিষ্যতে আমাৰ এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে লিখা-মেলাৰ প্ৰতি অধিক মনোযোগ দিব আৰু মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি' আৰু 'প্ৰাচীৰ পত্ৰিক'খন এখন সাৰ্থক হিচাপে বিবেচিত হ'ব। যিসকল ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাই লিখনি সমূহ আমাক দি 'জৱাহৰ জ্যোতি' প্ৰকাশ কৰাত সহায় আগবঢ়ালে তেখেতসকললৈ মোৰ কৃতজ্ঞতা থাকিল। মোৰ কাৰ্য্য সম্পাদন কৰোঁতে পদে পদে মোক সহায় আগবঢ়োৱা বন্ধু-বান্ধৱীসকল ক্ৰমে সৰ্বশ্ৰী কুমুদ, ইমদেত্, জয়কিশোৰ, নাৰায়ণ, দিগন্ত, ননীগোপাল, হিৰণ্য নাথ, জয়ন্ত, তৰালী, চাহিদা, জয়ন্তী আৰু ৰণ্টুদালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু মৰমৰ বন্ধু-বান্ধৱীসকলক আমাৰ প্ৰতি দেখুওৱা মৰম আৰু সহযোগিতাৰ কাৰণে আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। আৰু ভৱিষ্যতে 'জৱাহৰ জ্যোতি'ৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

ইতি

**শ্ৰীবিপুল কুমাৰ কলিতা**
*সহকাৰী আলোচনী সম্পাদক*
জৱাহৰলাল নেহৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

# আলোচনী সম্পাদকৰ প্ৰতিবেদন



অগ্নিগৰ্ভা পৃথিৱীখনত হত্যা, লুণ্ঠন, ত্ৰাসৰ প্ৰকোপত শান্তিৰ সন্ধান ক'তোৱে পাবলৈ নাই। মানুহ নামৰ সৰ্ব্বশ্ৰেষ্ঠ জাতিটোৰ ভিতৰৰেএচামৰ বৰ্বৰতা দেখিলে, আনকি প্ৰসৱ বেদনাত চটফটাই থকা নাৰীগৰাকীয়েও এবাৰ সষ্টম হৈ ভাবিবলৈ বাধ্য হ'ব — ভূমিষ্ঠ হ'ব খোজা জন বা ভৱিষ্যতে গৈ কোনজন 'ত্ৰাসিত নায়ক' হয়গৈ!

একমাত্ৰ ভয় বা স্বাৰ্থসিদ্ধিৰ বাবেই সত্য কথাৰ প্ৰায়বোৰে অস্বীকাৰ কৰিবলৈ বাধ্য হয়। শোষণৰ প্ৰভাৱে জুৰুলা কৰা সমাজখনক সত্যবোৰ লুকাই ৰাখিবলৈ সদায় বাধ্য কৰাই আহিছে আৰু এই ৰীতি সমাজ সচেতন নোহোৱালৈকে চলিয়েই থাকিব। অতি দুখৰ কথা কোনোবাজন যদি সাহসেৰে সত্যৰ মুখামুখী হ'বলৈ আগবাঢ়িও আহে তেওঁক বলেৰে হলেও দমন কৰি ৰখা হ'ব বা শেষ পৰ্য্যায়ত হত্যাৰে হলেও তেওঁৰ বলিষ্ঠ সাহসক সমাধিস্থ কৰা হ'ব। ফলস্বৰূপে এনেকৈয়ে আনৰ দুখত দুখী হোৱা এবেজন নিষ্ঠাবান মানৱপ্ৰেমীক সততে হেৰুৱাই চিৰদিন শোষণকে মূৰ পাতি ল'ব লাগিব। অপ্ৰিয় সত্য চকু মেলি চাওঁক দেখিব, আমি শোষিত। অৰ্থাৎ মহাত্মাৰ কল্পনাৰে মহান ৰাম ৰাজ্যৰ বিপৰীতে ৰাৱণৰ লংকাৰহে আমি প্ৰজা।

অসাধ্য সাধনেৰে দেশক আগবঢ়াই নিবলৈ আগবাঢ়ি অহা ব্যক্তিবোৰৰ জীৱন বীক্ষাৰে আমি যদি জুকিয়াই চাওঁ, আমি আনুমানিক ৯৯.৯৬ শতাংশই নিজক লৈ ব্যস্ত। সমাজৰ উন্নতি তথা শুধৰণিৰ বিপৰীতে জাত-পাত, উচ্চ-নীচ, ধনী-দুখীয়া আদি বিচাৰ ধাৰাৰ মাজত আমি আজিও বন্দী। ধৰ্মৰ নামত কিছুমান যুক্তিহীন বিচাৰ ধাৰাক আমাৰ পৰা আঁতৰ কৰাৰ সাহস আজিও নহ'ল।

মুঠ কথা প্ৰকৃতিৰ মুক্ত বায়ু-পানী সেৱনৰ অমূল্য দানৰ বৰঙণি আমি প্ৰত্যেকেই একোজন প্ৰকৃত মানুহৰ আদৰ্শেৰে আদায় দিয়া উচিত। প্ৰত্যেকজন মানুহে দেশ জাতিৰ উন্নতিৰ হকে চিন্তিত হোৱা প্ৰয়োজন। সেয়ে নহলেও এজনৰ ঠাইত আন এজনে যদি দহৰ উপকাৰ সাধিব পাৰে, প্ৰয়োজনত তেওঁৰ বাবেই প্ৰকৃতিৰ এই মুক্ত দান পৰিত্যাগ কৰাৰ আৱশ্যক আছে। প্ৰত্যেকে ব্যক্তিগত ক্ষুদ্ৰ স্বাৰ্থবোৰ ত্যাগ কৰি দহৰ বাবে কিবা এটা কৰি থৈ যোৱাৰ মানসিক প্ৰস্তুতি গোটোৱা দৰকাৰ। দেশ-জাতিক উন্নতিৰ শিখৰলৈ তোলাৰ ইয়াতকৈ উজু পথ আৰু নাই। আজি সকলোৰে একে মুখে স্বীকাৰ কৰে সভ্যতা-সংস্কৃতিয়ে গা টঙাই উঠা পৃথিৱীখনত নিজস্ব জাতি সত্ত্বা জীয়াই ৰাখিবলৈ হলে জাতীয় ঐতিহ্য ৰক্ষাৰ সংগ্ৰামত জপিয়াই পৰিবই লাগিব। কাৰণ এখন দেশ বা এটা জাতিৰ উত্থান-পতন সেই দেশৰ সভ্যতা-সংস্কৃতিয়েহে নিৰূপণ কৰে। যদি তাকে কৰিবলৈ কুণ্ঠিত হোৱা যায় তেন্তে এনে বৰ্বৰ জীৱন পৰিত্যাগ কৰা উচিত। অপ্ৰিয় হলেও ক'ব পাৰি আবৰ্জনাৰ নিচিনাকৈ বা শোষণক মূৰ পাতি জীয়াই থকাতকৈ ভস্মৰ বাবে প্ৰয়োজনীয় মাটিডৰাত শায়িত হোৱাই শ্ৰেয়।

মানুহৰ বিচাৰধাৰা আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত অনুধাৱন কৰি অনুমান কৰিব পাৰি আজি মানুহৰ মানসিক স্থিতি বৰ সবল নহয়। অৱশ্যে আমি যি ভয়ংকৰ পৰিবেশৰ মাজত জীৱন নিৰ্বাহ কৰিছোঁ, তেনে পৰিবেশত এটা সহজ জীৱন যাপন কল্পনা কৰিব নোৱাৰি। পৃথিৱীখন যদিও সভ্যতাৰ সুউচ্চলৈ উঠিছে, তথাপি এই কথাও সত্য যে এতিয়াও মানুহৰ অন্ন-বস্ত্ৰ-বাসস্থানৰ অভাৱ আঁতৰা নাই। ইয়াৰোপৰি প্ৰতিমুহূৰ্ততে আমাক এচাম ক্ষমতালিপ্সুৰ দ্বাৰা এনেদৰে দমিত কৰি ৰখা হৈছে যে আমি আনকি স্বতন্ত্ৰভাৱে উশাহ-নিশাহকণো ল'বলৈ সমৰ্থ নহওঁ। আমি আজিও

শোষিত। লুণ্ঠিত কৰা হৈছে আমাৰ যত সৰ্ব্বস্ব। পীড়িত হৈ আত্মগ্লানিত তিল-তিলকৈ দগ্ধ হৈ আহিছোঁ- তথাপি আমি জীয়াই আছো। কথা হ'ল যিহেতু আমি জীয়াই থাকিবই লাগিব, গতিকে মৃৰ দোৱাই জীয়াই থকাতকৈ মৃৰ দাঙি জীয়াই থকাই শ্ৰেয়। গতিকে আহক আমি নতুন শতিকাৰ আবন্তুণিতে অংগীকাৰ কৰো — "দমন আমি মানি নলও। পীড়িতও নলওঁ। হত্যাবে আমাৰ মাজৰ পৰা কোনো মানৱপ্ৰেমীকে কাঢ়ি নিবলৈ নিদিও। আমি লুণ্ঠিত নহওঁ। আৰু এনেবোৰ আত্মগ্লানিৰ জুইত দগ্ধ হৈ আমি আমাৰ অমূল্য জীৱনৰ অৱসান মাতি নানো।"

ব্যক্তিগত ঃ আলোচনী সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বভাৰ মোৰ ওপৰত অৰ্পণ কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধা প্ৰদান কৰা বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাৰ্থীকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আলোচনী সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহৰ সতে সংগতি ৰাখি সাহিত্য বিভাগৰ তৰফৰ পৰা গল্প, কবিতা, প্ৰবন্ধ, কাৰ্টুন, প্ৰদৰ্শনী আৰু চিত্ৰাঙ্কন প্ৰতিযোগিতা সমূহ আয়োজন কৰা হয় যদিও আশা কৰা মতে ছাত্ৰ-ছাত্ৰীৰ পৰা সহাঁৰি পোৱা নগ'ল। আশা ৰাখিছোঁ এই অভাৱ ভৱিষ্যতলৈ নাইকিয়া হ'ব। তাৰ পিছতে সৰস্বতী পূজা উপলক্ষে মহাবিদ্যালয়ৰ 'জৱাহৰ জ্যোতি প্ৰাচীৰ পত্ৰিকা' খনিৰ দ্বিতীয় প্ৰকাশ কৰা হয় যদিও মহাবিদ্যালয়ৰ আৰ্থিক দুৰৱস্থাৰ বাবে ব্যক্তিগতভাৱে প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা হয়। তেনেদৰে 'নৱাগত আদৰণি সভা'ৰ সময়তো মহা পয়মালৰ সৃষ্টি হৈ আনকি ব্যক্তিগত ভাৱে সম্পূৰ্ণ নবাগত আদৰণি সভাৰ খৰচ মূৰ পাতি লৈয়ো নৱাগত আদৰণি সভা উপলক্ষে প্ৰাচীৰ পত্ৰিকাখনি পুনৰ উন্মোচন কৰা হয়।

আলোচনী এখন সম্পাদনা কৰা উজু কাম নহয়। এই জটিল কামটোকে সহজসাধ্য কৰি তুলিবলৈ সহায়ৰ হাত আগবঢ়োৱা আলোচনী সম্পাদনা সমিতিখনৰ লগতে অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় শ্ৰীযুত বসন্ত দত্ত চাৰ, মাননীয় অধ্যাপক শ্ৰীযুত ললিত বাভা, শ্ৰীযুত উমেশ কৰ আৰু শ্ৰীযুতা ভৈৰৱী বড়ো বাইদেউলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মাননীয় তত্ত্বাৱধায়ক শ্ৰীযুত যুগল কিশোৰ নাথ চাৰে মোক প্ৰতি মুহূৰ্ততে সহায়েৰে যি অনুপ্ৰেৰণা যোগালে তাৰ বাবেও তেখেতৰ ওচৰত ঋণী হৈ ৰলো।

মোৰ কাৰ্য্যকালত বিভিন্নধৰণে সহায় কৰা বন্ধু সৰ্ব্বশ্ৰী লুকুমণি, সংগীত, মৃদুল, নৱ, দ্বীপ, মণি, নৱজিৎ, বাতুল,দীপক, নুৰ, সদানন্দ, প্ৰেমানন্দ, হেৰম্ব, উজ্জ্বল, বাবুল, ৰাজকুমাৰ, দেৱজিৎ, জয়ন্ত, ডেনিয়েল, পৱিত্ৰ, সোণমণি আৰু মোৰ সহকাৰী বিপুল আৰু বান্ধৱী ৰেখা, চন্দনা, সবিতা,ভনীতা, বাসন্তী, ৰত্না, ভানু, ভাগ্য, জোনালী, লিজা, লাটুমণিলৈ তথা একতা সভাৰ সহকৰ্মী সদানন্দলৈ শলাগ জনাইছোঁ। এদিনৰ চিনাকিতে নৱাগত আদৰণি সভাৰ বিপদ সংকুল মুহূৰ্তত মোক অৰ্থনৈতিকভাৱে সহায় কৰি নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰাত অৰিহণা যোগোৱা শ্ৰদ্ধাৰ প্ৰসন্ন অধিকাৰীদালৈ অশেষ কৃতজ্ঞতা জনালোঁ। এই চেগতে ইম্‌প্ৰিণ্ট প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দই অশেষ ধৈৰ্য্য আৰু ত্যাগেৰে আলোচনীখন ছপা কৰি উলিয়াই দিয়াত ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত সকলো ভুল-ক্ৰটিৰ মাৰ্জনা বিচাৰি 'জৱাহৰ জ্যোতি'য়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত আৰু এঢাপ আগবঢ়াই নিবলৈ সক্ষম হোৱাৰ মানসেৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

॥ জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো ॥

॥ জয়তু জৱাহৰ জ্যোতি ॥

বিনম্ৰতাৰে

**শ্ৰীৰণ্টু দাস**

*সম্পাদক, আলোচনী বিভাগ*

জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# ১৯৯৯-২০০০ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ

## ক্ৰীড়া বিভাগ (ল'ৰা শাখা)

**১০০ মিটাৰ দৌৰ ঃ**

১ম ঃ শ্ৰীমৃদুল কুমাৰ ৰাভা — স্নাতক ১ম বৰ্ষ
২য় ঃ শ্ৰীচৈতন্য কুমাৰ ৰাভা — স্নাতক ২য় বৰ্ষ

**২০০ মিটাৰ দৌৰ ঃ**

১ম ঃ শ্ৰীমৃদুল কুমাৰ ৰাভা — স্নাতক ১ম বৰ্ষ
২য় ঃ শ্ৰীচৈতন্য কুমাৰ ৰাভা — স্নাতক ২য় বৰ্ষ

**৪০০ মিটাৰ দৌৰ ঃ**

১ম ঃ শ্ৰীমৃদুল কুমাৰ ৰাভা — স্নাতক ১ম বৰ্ষ
২য় ঃ শ্ৰীচৈতন্য কুমাৰ ৰাভা — স্নাতক ২য় বৰ্ষ

**৮০০ মিটাৰ দৌৰ ঃ**

১ম ঃ শ্ৰীমৃদুল কুমাৰ ৰাভা — স্নাতক ১ম বৰ্ষ
২য় ঃ শ্ৰীগোপীনাথ ৰাভা — উঃ মাঃ ১ম বৰ্ষ

**১৬০০ মিটাৰ দৌৰ ঃ**

১ম ঃ শ্ৰীগোপীনাথ ৰাভা — উঃ মাঃ ১ম বৰ্ষ
২য় ঃ শ্ৰীপ্ৰদীপ কুমাৰ ৰাভা — উঃ মাঃ ১ম বৰ্ষ
৩য় ঃ শ্ৰীকাশ্যপ ৰাভা — উঃ মাঃ ২য় বৰ্ষ

**ছটপুট থ্ৰ' ঃ**

১ম ঃ শ্ৰীপ্ৰহ্লাদ কছাৰী — উঃ মাঃ ১ম বৰ্ষ
২য় ঃ শ্ৰীচৈতন্য কুমাৰ ৰাভা — স্নাতক ২য় বৰ্ষ

**জেভলিন থ্ৰ' ঃ**

১ম ঃ শ্ৰীপ্ৰহ্লাদ কছাৰী — উঃ মাঃ ১ম বৰ্ষ
২য় ঃ শ্ৰীবিশ্বনাথ বড়ো — উঃ মাঃ ২য় বৰ্ষ

**লং জাম্প ঃ**

১ম ঃ শ্ৰীমৃদুল কুমাৰ ৰাভা — স্নাতক ১ম বৰ্ষ
২য় ঃ শ্ৰীসমুদ্ৰ ৰাভা — উঃ মাঃ ২য় বৰ্ষ

**হাই জাম্প ঃ**

১ম ঃ শ্ৰীৰাতুল চৌধুৰী — উঃ মাঃ ১ম বৰ্ষ
২য় ঃ শ্ৰীমৃদুল কুমাৰ ৰাভা — স্নাতক ১ম বৰ্ষ

**ডিচ্‌কাচ্‌ থ্ৰ' ঃ**

১ম ঃ শ্ৰীচৈতন্য কুমাৰ ৰাভা — স্নাতক ২য় বৰ্ষ
২য় ঃ শ্ৰীপ্ৰদীপ ৰাভা — উঃ মাঃ ১ম বৰ্ষ

**ৰীলে ৰেচ ঃ**

১ম দল ঃ শ্ৰীবিপুল কুমাৰ খাখলাৰী
শ্ৰীসঞ্জয় কুমাৰ বড়ো
শ্ৰীঅহিত কুমাৰ বসুমতাৰী
শ্ৰীকমল কলিতা

২য় দল ঃ শ্ৰীদধি মোহন মেধি
শ্ৰীধনঞ্জয় মেধি
মঃ হিবুল্ল শ্বেখ
মঃ আফতাব আলি

**প'ল ভল্ট ঃ**

১ম ঃ শ্ৰীজগমোহন বড়ো — স্নাতক ২য় বৰ্ষ
২য় ঃ শ্ৰীকাতিৰাম বড়ো — স্নাতক ২য় বৰ্ষ

**ট্ৰিপল জাম্প ঃ**

১ম ঃ শ্ৰীকাতিৰাম বড়ো — স্নাতক ২য় বৰ্ষ
২য় ঃ শ্ৰীচৈতন্য কুমাৰ ৰাভা — স্নাতক ২য় বৰ্ষ

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ**

শ্ৰীমৃদুল কুমাৰ ৰাভা — স্নাতক ১ম বৰ্ষ

# ক্রীড়া বিভাগ (ছোৱালী শাখা)

**১০০ মিটাৰ দৌৰ ঃ**

১ম ঃ মিচ্ বুলু মজুমদাৰ স্নাতক ১ম বৰ্ষ

২য় ঃ মিচ্ মনোমতী বড়ো স্নাতক ১ম বৰ্ষ

**২০০ মিটাৰ দৌৰ ঃ**

১ম ঃ মিচ্ কল্পনা ৰাভা উঃ মাঃ ১ম বৰ্ষ

২য় ঃ মিচ্ মনোমতী বড়ো স্নাতক ১ম বৰ্ষ

**৪০০ মিটাৰ দৌৰ ঃ**

১ম ঃ মিচ্ কল্পনা ৰাভা উঃ মাঃ ১ম বৰ্ষ

২য় ঃ মিচ্ মনোমতী বড়ো স্নাতক ১ম বৰ্ষ

**৮০০ মিটাৰ দৌৰ ঃ**

১ম ঃ মিচ্ মনোমতী বড়ো স্নাতক ১ম বৰ্ষ

২য় ঃ মিচ্ কল্পনা ৰাভা উঃ মাঃ ১ম বৰ্ষ

৩য় ঃ মিচ্ নিৰুপমা দাস স্নাতক ১ম বৰ্ষ

**জেভলিন থ্র' ঃ**

১ম ঃ মিচ্ মামণি বড়ো স্নাতক১ম বৰ্ষ

২য় ঃ দীপালি বড়ো উঃ মাঃ ১ম বৰ্ষ

**লং জাম্প ঃ**

১ম ঃ মিচ্ কল্পনা ৰাভা উঃ মাঃ ১ম বৰ্ষ

২য় ঃ মিচ্ ৰীমা ৰাভা উঃ মাঃ ১ম বৰ্ষ

**ছট্‌পুট থ্র' ঃ**

১ম ঃ মিচ্ কল্পনা ৰাভা উঃ মাঃ ১ম বৰ্ষ

২য় ঃ মিচ্ ৰত্না বসুমতাৰী উঃ মাঃ ২য় বৰ্ষ

**হাই জাম্প ঃ**

১ম ঃ মিচ্ নিৰুপমা দাস স্নাতক ১ম বৰ্ষ

২য় ঃ মনোমতী বড়ো স্নাতক ১ম বৰ্ষ

**ডিচ্‌কাচ্ থ্র' ঃ**

১ম ঃ মিচ্ ৰত্না বসুমতাৰী উঃ মাঃ ২য় বৰ্ষ

২য় ঃ মিচ্ মামণি ৰাভা উঃ মাঃ ১ম বৰ্ষ

**ৰীলে ৰেচ ঃ**

১ম দল ঃ মিচ্ বুলু মজুমদাৰ
মিচ্ কল্পনা ৰাভা
মিচ্ নিৰুপমা দাস
মিচ্ মনোমতী বড়ো

২য় দল ঃ মিচ্ ৰীমা ৰাভা
মিচ্ জীনা অধিকাৰী
মিচ্ বৰ্ণালী দাস
মিচ্ জুনুকা দাস

**পুখুৰী পাৰ ঃ**

১ম ঃ মিচ্ বৰ্ণালী দাস স্নাতক ২য় বৰ্ষ

২য় ঃ সবযূ পাঠক স্নাতক ২য় বৰ্ষ

**ব্লাইণ্ড হিট ঃ**

(১) মিচ্ বুলু মজুমদাৰ

(২) মিচ্ দুলু বৰা

(৩) মিচ্ বৰ্ণালী দাস

(৪) মিচ্ সৰযূ পাঠক

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ঃ**

মিচ্ মনোমতী বড়ো স্নাতক ১ম বৰ্ষ

## খেল বিভাগৰ ফলাফল

**ফুটবল ঃ**

বিজয়ী দল ঃ স্নাতক ২য় বৰ্ষ (কলা)

বিজিত দল ঃ উঃ মাঃ ১ম বৰ্ষ (কলা)

**ভলীবল ঃ**

বিজয়ী দল ঃ স্নাতক ২য় বৰ্ষ (কলা)

বিজিত দল ঃ উঃ মাঃ ২য় বৰ্ষ (কলা)

**ক্রিকেট ঃ**

বিজয়ী দল ঃ স্নাতক ২য় বৰ্ষ (কলা)

বিজিত দল ঃ উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)

মেন অব দা মেচ ঃ শ্রীসন্দীপ শৰ্মা (স্নাতক ২য় বৰ্ষ)

মেন অব দা চিৰিজ ঃ শ্ৰীবিজয় চেত্ৰী (স্নাতক ২য় বৰ্ষ

শ্ৰেষ্ঠ ব'লাৰ ঃ শ্রীকিশোৰ গোস্বামী (স্নাতক ২য় বৰ্ষ

শ্ৰেষ্ঠ ফিল্‌দাৰ ঃ শ্ৰীদীপক দাস (স্নাতক২য় বৰ্ষ)

## ছাত্ৰ ভিৰণি কোঠা বিভাগৰ ফলাফল

ডবা ঃ

১ম ঃ শ্ৰীবিজয় ব্ৰহ্ম — স্নাতক ১ম বৰ্ষ

২য় ঃ শ্ৰীৰণ্টু দাস — স্নাতক ১ম বৰ্ষ

বেডমিণ্টন (একক) ঃ

চেম্পিয়ন ঃ শ্ৰীসংগীত ৰাভা — স্নাতক ১ম বৰ্ষ

ৰাণাৰ্চ্ছআপ ঃ শ্ৰীমহানন্দ ৰাভা — স্নাতক ৩য় বৰ্ষ

বেডমিণ্টন (দ্বৈত) ঃ

চেম্পিয়ন ঃ শ্ৰীসংগীত বড়ো — স্নাতক ১ম বৰ্ষ

শ্ৰীমিনাল কোঁৱৰ — স্নাতক ২য় বৰ্ষ

ৰাণাৰ্চ্ছআপ ঃ শ্ৰীমহানন্দ ৰাভা — স্নাতক ৩য় বৰ্ষ

শ্ৰীশশীদানন্দ ৰাভা — উঃ মাঃ ১ম বৰ্ষ

বেডমিণ্টনৰ চেম্পিয়ন অৱ চেম্পিয়নছ ঃ

শ্ৰীসংগীত বড়ো — স্নাতক ১ম বৰ্ষ

কেৰম (একক) ঃ

চেম্পিয়ন ঃ শ্ৰীচৈতন্য ৰাভা — স্নাতক ২য় বৰ্ষ

ৰাণাৰ্চ্ছআপ ঃ শ্ৰীবশিষ্ঠ ৰাভা — উঃ মাঃ ১ম বৰ্ষ

কেৰম (দ্বৈত) ঃ

চেম্পিয়ন ঃ শ্ৰীকুলদ্বীপ বায়ন — উঃ মাঃ ১ম বৰ্ষ

শ্ৰীবশিষ্ঠ ৰাভা — উঃ মাঃ ১ম বৰ্ষ

ৰাণাৰ্চ্ছআপ ঃ শ্ৰীচৈতন্য ৰাভা — স্নাতক ২য় বৰ্ষ

শ্ৰীএকলব্য ৰাভা — স্নাতক ২য় বৰ্ষ

পাঞ্জা (৫০ কেজি) ঃ

১ম ঃ শ্ৰীবশিষ্ঠ ৰাভা — উঃ মাঃ ১ম বৰ্ষ

২য় ঃ শ্ৰীচন্দন কুমাৰ — উঃ মাঃ ১ম বৰ্ষ

পাঞ্জা (৫৫ কেজি) ঃ

১ম ঃ শ্ৰীমিণ্টু ডাকুৱা — উঃ মাঃ ১ম বৰ্ষ

২য় ঃ শ্ৰীজ্যোতিপ্ৰসাদ বড়ো — উঃ মাঃ ২য় বৰ্ষ

পাঞ্জা (৬০ কেজি) ঃ

১ম ঃ শ্ৰীনৃপেন কলিতা — স্নাতক ১ম বৰ্ষ

২য় ঃ শ্ৰীবিশ্বজিত কলিতা — স্নাতক ৩য় বৰ্ষ

পাঞ্জা (৬৫ কেজি) ঃ

১ম ঃ শ্ৰীঅনিল দাস — উঃ মাঃ ১ম বৰ্ষ

২য় ঃ শ্ৰীলোকপ্ৰিয় দাস — স্নাতক ৩য় বৰ্ষ

পাঞ্জা (৭০ কেজি) ঃ

১ম ঃ শ্ৰীডিম্বেশ্বৰ বড়ো — স্নাতক ১ম বৰ্ষ

২য় ঃ শ্ৰীপ্ৰশান্ত কলিতা — স্নাতক ৩য় বৰ্ষ

পাঞ্জা (৭৫ কেজি) ঃ

১ম ঃ শ্ৰীপ্ৰহ্লাদ ৰাভা — উঃ মাঃ ১ম বৰ্ষ

২য় ঃ শ্ৰীআব্দুল মতিন — স্নাতক ২য় বৰ্ষ

পাঞ্জাৰ চেম্পিয়ন অৱ চেম্পিয়নছ ঃ

শ্ৰীডিম্বেশ্বৰ বড়ো — স্নাতক ১ম বৰ্ষ

শৰীৰ চৰ্চা ঃ

১ম ঃ শ্ৰীলোকপ্ৰিয় দাস — স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীজ্যোতিপ্ৰসাদ বড়ো — উঃ মাঃ ২য় বৰ্ষ

উদগনিমূলক বঁটা ঃ শ্ৰীদ্বীপ বড়ো — স্নাতক ১ম বৰ্ষ

শ্ৰীমনোজ শৰ্মা — উঃ মাঃ ১ম বৰ্ষ

## ছাত্ৰী ভিৰণি কোঠা বিভাগৰ ফলাফল

কেৰম (একক) ঃ

চেম্পিয়ন ঃ মিচ্ সৰযূ পাঠক — স্নাতক ৩য় বৰ্ষ

ৰাণাৰ্চ্ছআপ ঃ মিচ্ অশ্ৰুকণা খাখলাৰী — স্নাতক ৩য় বৰ্ষ

কেৰম (দ্বৈত) ঃ

চেম্পিয়ন ঃ মিচ্ সৰযূ পাঠক — স্নাতক ৩য় বৰ্ষ

মিচ্ নন্দিতা কলিতা — স্নাতক১ম বৰ্ষ

ৰাণাৰ্চ্ছআপ ঃ মিচ্ যুতিকা পাঠক — উঃ মাঃ ১ম বৰ্ষ

মিচ্ অনুপমা দাস — উঃ মাঃ ১ম বৰ্ষ

ৰিং (একক) ঃ

চেম্পিয়ন ঃ মিচ্ নৱনীতা দাস — স্নাতক ১ম বৰ্ষ

ৰাণাৰ্চ্ছআপ ঃ মিচ্ দেবলা চৌধুৰী — স্নাতক ৩য় বৰ্ষ

ৰিং (দ্বৈত) ঃ

চেম্পিয়ন ঃ মিচ্ কৰবী ৰাভা — উঃ মাঃ ১ম বৰ্ষ

মিচ্ চন্দ্ৰাৱতী ৰাভা — উঃ মাঃ ১ম বৰ্ষ

বাণাৰ্ছআপ ঃ মিচ্ জীনা অধিকাৰী উঃ মাঃ ১ম বৰ্ষ
মিচ্ গীতাঞ্জলী চৌধুৰী উঃ মাঃ ১ম বৰ্ষ

**বেডমিণ্টন (একক) ঃ**
চেম্পিয়ন ঃ মিচ্ সবযূ পাঠক স্নাতক ৩য় বৰ্ষ
বাণাৰ্ছআপ ঃ মিচ্ নন্দিতা কলিতা স্নাতক ১ম বৰ্ষ

**বেডমিণ্টন (দ্বৈত) ঃ**
চেম্পিয়ন ঃ মিচ্ সবযূ পাঠক স্নাতক ৩য় বৰ্ষ
মিচ্ নন্দিতা কলিতা স্নাতক ১ম বৰ্ষ
বাণাৰ্ছআপ ঃ মিচ্ অশ্রুকণা খাখলাৰী স্নাতক ৩য় বৰ্ষ
মিচ্ কুন্তলা খাখলাৰী স্নাতক ৩য় বৰ্ষ

**ডবা ঃ**
১ম ঃ মিচ্ অশ্রুকণা খাখলাৰী স্নাতক ৩য় বৰ্ষ
২য় ঃ মিচ্ তৰালী কলিতা স্নাতক ১ম বৰ্ষ

**পাঞ্জা ঃ**
১ম ঃ মিচ্ মামণি ৰাভা উঃ মাঃ ১ম বৰ্ষ
২য় ঃ মিচ্ ৰীমা ৰাভা উঃ মাঃ ১ম বৰ্ষ

**চিলাই ঃ**
১ম ঃ মিচ্ সোণতৰা বড়ো স্নাতক ১ম বৰ্ষ
২য় ঃ মিচ্ অশ্রুকণা খাখলাৰী স্নাতক ৩য় বৰ্ষ

**অন্তাক্ষৰী ঃ**
১ম ঃ মিচ্ ৰীমা ৰাভা উঃ মাঃ ১ম বৰ্ষ
মিচ্ জয়ন্তী চেত্ৰী উঃ মাঃ ১ম বৰ্ষ
মিচ্ দিলৰুবা আহমেদ স্নাতক ১ম বৰ্ষ
২য় ঃ মিচ্ পাৰুল কুমাৰী স্নাতক ৩য় বৰ্ষ
মিচ্ দুলুমণি মহন্ত স্নাতক ৩য় বষ
মিচ্ তাহিৰা বেগম স্নাতক ৩য় বৰ্ষ
৩য় ঃ মিচ্ বিভা ৰাভা স্নাতক ৩য় বৰ্ষ
মিচ্ অশ্রুকণা খাখলাৰী স্নাতক ৩য় বৰ্ষ
শ্ৰীমহানন্দ ৰাভা স্নাতক ৩য় বৰ্ষ

**পিঠা প্ৰতিযোগিতা ঃ**
উদগনি বঁটা ঃ মিচ্ বুলু মজুমদাৰ স্নাতক ১ম বৰ্ষ

**পুষ্প সজ্জা প্ৰতিযোগিতা ঃ**
উদগনি বঁটা ঃ শ্ৰীডেনিয়েল মাৰাক উঃ মাঃ ১ম বৰ্ষ

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফল

**কুইজ প্ৰতিযোগিতা ঃ**
১ম ঃ শ্ৰীপ্ৰশান্ত কলিতা স্নাতক ২য় বৰ্ষ
শ্ৰীআনন্দ ৰাণা স্নাতক ৩য় বৰ্ষ
শ্ৰীকুলদ্বীপ বায়ন উঃ মাঃ ১ম বৰ্ষ
২য় ঃ শ্ৰীবিপুল কলিতা উঃ মাঃ ২য় বৰ্ষ
শ্ৰীসুৰথ চন্দ্ৰ ৰাভা উঃ মাঃ ২য় বৰ্ষ
মিচ্ জেবিণা বেগম উঃ মাঃ ২য় বৰ্ষ

**লিখিত পৰীক্ষা ঃ**
১ম ঃ শ্ৰীআনন্দ ৰাণা স্নাতক ৩য় বৰ্ষ
২য় ঃ শ্ৰীবিপুল কলিতা উঃ মাঃ ২য় বৰ্ষ
শ্ৰীসুৰথ চন্দ্ৰ ৰাভা উঃ মাঃ ২য় বৰ্ষ

**আকস্মিক বক্তৃতা ঃ**
১ম ঃ শ্ৰীবশিষ্ঠ দেৱশৰ্মা স্নাতক ৩য় বৰ্ষ
২য় ঃ শ্ৰীদধিমোহন মেধি স্নাতক ১ম বৰ্ষ
শ্ৰীপ্ৰশান্ত কলিতা স্নাতক ২য় বৰ্ষ

**মুকলি বক্তৃতা প্ৰতিযোগিতা ঃ**
১ম ঃ শ্ৰীবশিষ্ঠ দেৱশৰ্মা স্নাতক ৩য় বৰ্ষ
২য় ঃ শ্ৰীপ্ৰশান্ত কলিতা স্নাতক ২য় বৰ্ষ
৩য় ঃ শ্ৰীদধিমোহন মেধি স্নাতক ১ম বৰ্ষ

**ইংৰাজী আবৃত্তি প্ৰতিযোগিতা ঃ**
১ম ঃ শ্ৰীমাইকেল ঠাকুৰীয়া স্নাতক ১ম বৰ্ষ
২য় ঃ মিচ্ জ্বলিমণি মেধি স্নাতক ১ম বৰ্ষ

**অসমীয়া আবৃত্তি প্ৰতিযোগিতা ঃ**
১ম ঃ শ্ৰীবশিষ্ঠ দেৱশৰ্মা স্নাতক ৩য় বৰ্ষ
২য় ঃ মিচ্ ৰিতাঞ্জলী কলিতা স্নাতক ২য় বৰ্ষ

**হিন্দী আবৃত্তি প্ৰতিযোগিতা ঃ**
১ম ঃ মিচ্ মীনাশ্ৰী কলিতা উঃ মাঃ ১ম বৰ্ষ
২য় ঃ মিচ্ জ্বলিমণি মেধি স্নাতক ১ম বৰ্ষ

তৰ্ক প্ৰতিযোগিতা ঃ

নিচুঁকনি বঁটা ঃ শ্ৰীদধিমোহন মেধি স্নাতক ১ম বৰ্ষ

শ্ৰেষ্ঠ বক্তা ঃ শ্ৰীবশিষ্ঠ দেৱশৰ্মা স্নাতক ৩য় বৰ্ষ

## সাহিত্য বিভাগৰ ফলাফল

কবিতা ঃ

১ম ঃ শ্ৰীআনন্দ ৰাণা স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীবশিষ্ঠ দেৱশৰ্মা স্নাতক ৩য় বৰ্ষ

ঠাইতে লিখা কবিতা প্ৰতিযোগিতা ঃ

১ম ঃ শ্ৰীদেৱজিত বৰা স্নাতক ২য় বৰ্ষ

২য় ঃ শ্ৰীআনন্দ ৰাণা স্নাতক ৩য় বৰ্ষ

ঠাইতে লিখা প্ৰবন্ধ প্ৰতিযোগিতা ঃ

১ম ঃ শ্ৰীবশিষ্ঠ দেৱশৰ্মা স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীআনন্দ ৰাণা স্নাতক ৩য় বৰ্ষ

ঠাইতে অঁকা চিত্ৰাংকন প্ৰতিযোগিতা ঃ

১ম ঃ শ্ৰীকুলেন্দ্ৰ বৰকাকতি স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীকৌশিক কলিতা উঃ মাঃ ১ম বৰ্ষ

ঠাইতে অঁকা কাৰ্টুন প্ৰতিযোগিতা ঃ

১ম ঃ শ্ৰীকুলেন্দ্ৰ বৰকাকতি স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীদেৱজিত বৰা স্নাতক ২য় বৰ্ষ

প্ৰদৰ্শনী প্ৰতিযোগিতা ঃ

উদগনিমূলক বঁটা ঃ

শ্ৰীডেনিয়েল কে মাৰাক উঃ মাঃ ১ম বৰ্ষ

শ্ৰীকৌশিক কলিতা উঃ মাঃ ১ম বৰ্ষ

## সাংস্কৃতিক বিভাগৰ ফলাফল

বৰগীত ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

ভজন ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

খেয়াল ঃ

১ম ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

২য় ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

গজল ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

ভূপেন্দ্ৰ সংগীত ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীছায়াকৃষ্ণ ৰাভা উঃ মাঃ ২য় বৰ্ষ

পাৰ্বতী প্ৰসাদ বৰুৱা গীত ঃ

১ম ঃ শ্ৰীছায়াকৃষ্ণ ৰাভা উঃ মাঃ ২য় বৰ্ষ

২য় ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

বিষ্ণু ৰাভা সংগীত ঃ

১ম ঃ শ্ৰীছায়াকৃষ্ণ ৰাভা উঃ মাঃ ২য় বৰ্ষ

২য় ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

জ্যোতি সংগীত ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীৰঞ্জিত ৰাভা স্নাতক ১ম বৰ্ষ

মিচ্ ভানুমতী ৰাভা স্নাতক ২য় বৰ্ষ

লোকগীত ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

আধুনিক গীত ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ শ্ৰীহিৰণ্য কুমাৰ নাথ স্নাতক ১ম বৰ্ষ

শ্ৰীৰঞ্জিত ৰাভা স্নাতক ১ম বৰ্ষ

চিত্ৰ গীত ঃ

১ম ঃ শ্ৰীঅনুপম দাস উঃ মাঃ ২য় বৰ্ষ

২য় ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

বড়ো গীত ঃ

১ম ঃ শ্ৰীজগত চৌধুৰী স্নাতক ৩য় বৰ্ষ

২য় ঃ মিচ্ বিভা ৰাভা স্নাতক ২য় বৰ্ষ

**বাভা গীত ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | শ্ৰীছায়াকৃষ্ণ বাভা | উঃ মাঃ ২য় বৰ্ষ |
| ২য় | ঃ | মিচ্ বিভা বাভা | স্নাতক ২য় বৰ্ষ |

**বন গীত ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | শ্ৰীছায়াকৃষ্ণ বাভা | উঃ মাঃ ২য় বৰ্ষ |
| ২য় | ঃ | মিচ্ বিভা বাভা | স্নাতক ২য় বৰ্ষ |

**বিয়া গীত ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | মিচ্ বৰ্ণালী দাস | উঃ মাঃ ১ম বৰ্ষ |
| | | মিচ্ জুনুকা দাস | উঃ মাঃ ১ম বৰ্ষ |
| | | মিচ্ মনীষা দেৱী | উঃ মাঃ ১ম বৰ্ষ |
| ২য় | ঃ | বিবেচিত নহ'ল | |

**বিহু নৃত্য (একক) ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | মিচ্ উপমা দাস | স্নাতক ২য় বৰ্ষ |
| ২য় | ঃ | শ্ৰীমিণ্টু ৰয় | স্নাতক ২য় বৰ্ষ |

**আধুনিক নৃত্য ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | শ্ৰীমিণ্টু ৰয় | স্নাতক ২য় বৰ্ষ |
| ২য় | ঃ | মিচ্ উপমা দাস | স্নাতক ২য় বৰ্ষ |

**একক অভিনয় ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | শ্ৰীহিৰণ্য কুমাৰ নাথ | স্নাতক ১ম বৰ্ষ |
| ২য় | ঃ | শ্ৰীবিশ্বজিত কলিতা | স্নাতক ২য় বৰ্ষ |

**মুকাভিনয় ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | শ্ৰীবিশ্বজিত কলিতা | স্নাতক ২য় বৰ্ষ |
| ২য় | ঃ | শ্ৰীৰঞ্জিত ৰাভা | স্নাতক ১ম বৰ্ষ |

**কৌতুক ঃ**

| | | | |
|---|---|---|---|
| ১ম | ঃ | শ্ৰীপ্ৰশান্ত কলিতা | স্নাতক ২য় বৰ্ষ |
| ২য় | ঃ | শ্ৰীহিৰণ্য কুমাৰ নাথ | স্নাতক ১ম বৰ্ষ |

**বছৰৰ সৰ্বশ্ৰেষ্ঠ সংগীত প্ৰতিযোগী ঃ**

শ্ৰীজগত চৌধুৰী — স্নাতক ৩য় বৰ্ষ

## সমাজ সেৱা বিভাগৰ ফলাফল

| | | |
|---|---|---|
| ১) | শ্ৰীবিপুল কুমাৰ কলিতা | উঃ মাঃ ২য় বৰ্ষ |
| ২) | শ্ৰীবশিষ্ঠ দেৱশৰ্মা | স্নাতক ৩য় বৰ্ষ |
| ৩) | শ্ৰীদধি মোহন মেধি | স্নাতক ১ম বৰ্ষ |
| ৪) | শ্ৰীবাবুল কলিতা | উঃ মাঃ ২য় বৰ্ষ |
| ৫) | শ্ৰীজয়ন্ত কলিতা | স্নাতক ২য় বৰ্ষ |
| ৬) | শ্ৰীথানেশ্বৰ কলিতা | স্নাতক ১ম বৰ্ষ |
| ৭) | শ্ৰীবলেন কলিতা | স্নাতক ১ম বৰ্ষ |
| ৮) | শ্ৰীজাহিৰুদ্দিন আহমেদ | স্নাতক ২য় বৰ্ষ |
| ৯) | শ্ৰীৰাজীৱ দাস | উঃ মাঃ ২য় বৰ্ষ |
| ১০) | শ্ৰীজয়ন্তী চেত্ৰী | উঃ মাঃ ১ম বৰ্ষ |
| ১১) | শ্ৰীজীন অধিকাৰী | উঃ মাঃ ১ম বৰ্ষ |
| ১২) | শ্ৰীকল্পনা ৰাণা | উঃ মাঃ ১ম বৰ্ষ |
| ১৩) | শ্ৰীগীতাঞ্জলী চৌধুৰী | উঃ মাঃ ১ম বৰ্ষ |
| ১৪) | শ্ৰীৰীমা ৰাভা | উঃ মাঃ ১ম বৰ্ষ |

**শ্ৰেষ্ঠ সমাজ সেৱক ঃ**

**শ্ৰীবশিষ্ঠ দেৱশৰ্মা,** স্নাতক ৩য় বৰ্ষ

# जवाहर ज्योति

## बर' बिफान


१। सिमां ▸ मिच उर्बशी बसुमतारी 81

२। आंगनि जीउनि रजे ▸ मुश्री बाबुल बसुमतारी 81

३। जीउनि रजे तो आंगनि ▸ मिच रन्‌जुमनि खाख'लारी 82

४। सिमां ▸ मुश्री हितेश्वर दैमारी 82

५। दागाब ▸ मिच प्रानजली बर' 83

६। मिर्जि ▸ मिच भैरबी बर' 84

७। बर' सोलोंथायाव जौगाखांनायनि राहा ▸ मुश्री सनातन बर' 85

# सिमां

मिच उर्बशी बसुमतारी
एइस. इस. सेथि बोसोर।

जिउनि सानजौफु समाव
नुदोंमोन आं गोबां सिमां।
नुजाफैयो दिनै
सिमां जानानै आंनि सेराव।
जोमै दाखानि सेराव माथो
जिंगा सिहाब सिहाब थायो;
जिउनि निजोम समाव
मानि दाहा लानानै
फैयो बियो दिनै खनले खनले।
नाथाय दसेनि उनाव
मोनथिया माथो जायखारलाङो।
नुदोंमोन जिउआव
गोबां सिमां;
मोनथिया नाथाय
बोरै जाबावनो,
सानस'हाया बे सिमांआ
जिउआव बोरै जाफुंगोन। ❑



# आंनि जिउनि रजे

मुश्री बाबुल बसुमतारी
एइस, एस, सेथि बोसोर।

आंनि जीउनि रजे नों
नुजायो नों साया-माया
दान्दिसेबो
नुजाया मोखथाङाव
फैयो नों सिमांआव।
नाइगिरो आं मोनसे समाव
नोंनि महर बे बुहुम संसाराव
फैगोन -- फैगोन होनना सानो
नाथाय नुजाफैया नों बे समाव।
फैगोन नों सानसे समाव
जागोन आंहा दुखु नोंजों लोगोसे
अनजाली र'जे आंनि हाबिला,
साया-माया जाबाय नों फागलि
आलावरी-बिलावरी जाबाय आं फागला।
हायाखै आं नोंखौ
बावनानै थानो
नाजायाखै आं नोंखौ फेलें खलामनो
जागोन नों जिउनि र'जे सानसे समाव। ❑

# जिउनि र'जे नों आंनि

**मिच रन्‌जुमनि खाख'लारी**
एइस. एस. सेथि बोसोर।

फै र'जे नों आंनि जिउ लामायाव
फै नों आंनि मेगन नोजोराव
अराय सम नों आंनि
गासै मिजिंआव।
मानोथो रजे नों सैया-सैया
आंखौ नायछ' फैया आंदि
हालाय-हाफाय, आलाय-सिलाय।
खुगा हमथुमनानै मिनि लाङो
रैसुमे गारांजों नाथाय, नोङो
नुजाफैया आंनि जिउनि
बे गुवार लैथोआव।
साया-माया नुजाफैयो नोंर'जे
सिमांखौ आयलि-जायलि खालामो
जिउनि हिसाब बिजाबाव।
हायाखै र'जे आं नोंखौ बावनो
हायाखै आं नोंखौ बावनानै थानो
नाजायाखै आं नोंखौ गारनो
जिउनि र'जे नों आंनि। ❑

# सिमां


**मुश्री हितेश्वर दैमारी**
एइस. एस. नैथि बोसोर।

सिमां नुदोंमोन आं जायखौ
हाजासे गोसोनि अन्‌नाय होनो।
लुबैदोंमोन आं जायनि गोसोखौ,
हाजार अन्‌नायनि बान्था होनो।
नाजागोन गासै गोहोजों
लायजाम लिरनो नोंनो
रोजाबगोन सुखु-दुखुजों
जुगामि नोंजों गेलेनायनि।
नाजागोन गांनाय-उखैनाय
दिन्थिनो मोजां मोननाय फोरमान आनजाद,
नाजागोन बुहुमाव मुं दोनलांनो
जोबथा बिलायआव आंनि देरहासाद
उन जिउआवबो नोंखौ मोननाय
जोबनो गैया आंनि नोंखौ हास्थाइनाय। ❑

# दागाव


**मिच प्रान्जली बर'**
ति. दि. सि. सेथि बोसोर (आरिमु)

दागाव नों बिदायनि समाव
दाहुगार नों मोदै
दुखु दाहोलां जोंनि गोसोआव
सुबुंनि जीउआ बिबारनि महर
दान्दिसेनि थाखै गेवलांफैनाय
संसारनि मायाथिलियाव।
लाबोदोंमोन नोंखौ समनि बिदिन्थाया
मोगा-मोगि जादोंमोन नोंजों
रंजाखांदोंमोन गोसोआ नोंनि थुलुंगायाव,
बोलो मोनदोंमोन दावगालांनायनि
गोरलै लामाजों थांखि सौहै नायनि।
नुफेराखैमोन नोंनि मोखाङाव
मेंनायनि उदखार बिमहर
गैयामोन खुगायाव नोंनि
सुबुं गोसोनि जेन्नाय राव।
गोसोनि आरासियाव गोमोरनाय नङा
नोंनि साइख्लुमा जीउ थासान्दियाव
अराय जोंनानै थागोन नेर्सोन महरै।



# मिर्जि

**मिच भैरबी बर'**
फोरोंगिरि बिफान - बर' (M.I.L.)



मिथिया बेसेबां दुखुनि
लैथो सानस्रिबोबाय आं,
मिथिया सिगांआव आंनि
बेसेबां मोदैनि लैथो।
बेनो आंनि मिर्जि -
मेगननि मोदैआनो जागोन मुकुता,
गोदान सोर्जिनि सोरबा खन्थायगिरिनि
साननाया गेवस्रागोन।
अम्बासिनि खोमसिआव नो
सोरांनि सिमां नुदों आं,
सुखुनि सिमां नुदों आं।
लोगो मिथिगौना दिनै साहारानि
बालाहामायावबो बारदों बिबार,
फोथार फोथार गोदान
सोरजिनि गुथाल।
मेगनखौ बेखेवना नाय सिगांथिं
नोजोरा जागोन सैथो।
लोगो नोंबो आवगायबो
आंजों लोगोसे रोजाबफै मेथाय।
नोंनि आंनि थैनि गाबजों
जेंरैबो फाराग गैया।
नों गुफुर आरो आं गोसोम
नोंनि आंनि रावआबो गुबुन,
थेवबो मिथिखा -
सोरजिनि रावआ मोनसेआनो। ❑

# बर' सोलोंथायाव जौगाखांनायनि राहा

**मुश्री सनातन बर'**
ति. दि. सि. जोबथा बोसोर।

1952 इ. माइथायनि 16 नबेम्बर सानखालि बर'साहित्य स'भानि जोनोम सान। बे साना मोनसे गोसोखांथाव सान। बे आफाद जोनोम जानाय उनिफ्रायनो बर' हारिनि खौसेथिआबो जादों होनब्लाबो गोरोन्थि जाया। जाय आफादनि गेजेरजों हारिनि राव, थुनलाय हारिमुखौ जौगाखांहोनो हादों।

बर' सोलोंथायाव असमिया राव सोलोंनायनि राहा: सोलोंथाय फारियाव भारत सरकारा नाजानायाव थामराव मुंथि (Three language formula) लेखा हिन्दी भाषी फरायसानि थाखाय हिन्दी, इंराजी आरो गुबुन मोनसे ओनसोलारि राव आरो हिन्दी भाषी फरायसानि थाखाय बिमा राव इंराजी आरो हिन्दी सोलोंथायनि खाबु लाखिनाय जादों। बे थाम राव मुंथि फारियै बर'फरायसाफोरा दा गोजौ फरायसानि खलबाआव सेथिआव बर'राव, नैथिआव इंराजी आरो थामथियाव हिन्दी रावखौ सोलोंगासिनो दङ। नाथाय बर' साहित्य सभाया मोनसे समाव गियान बुथुममनायनि गोनांथिखौ नायहरनानै असमिया रावखौबो आजावदों हैंथा जायालासे सोलोंनो गोनां उफेरा राव (Compulsory additional language) हिसाबै बर' फरायसाफोरखौ फोरोंनायनि लाहार-फाहार खालामदोंमोन। आरो बेनि थाखाय आसाम सरकारा )बर' बिजोंनि गोजौ फरायसालियाव) हानजासे असमिया राव फोरोंगिरिनि मासिखौ मनजुरीबो होदोंमोन। जों सान्नाय बायदिब्ला बे राहाफारिया जोंनि बर' फरायसानि थाखाय जोबोद गोनांमोन। मानोना मोनसे राव माहारिया गावनि राव थुनलायनि गेजेरजोंल' नांगौमानि गियान थान्दारखौ बुथुमजोबना लानो हाया। बर' फोरनि थाखाय हिन्दी आरो इंराजी रावनिखुरै असमिया रावआ खाथिसिन। बेखायनो जों बुंनो लुबैयौदि बर' रावआरि फरायसाफोरनि खाथिरै थुनलाइगिरि, सोलोंथायगिरि सानसुमा आरो बर' साहित्य सभानि दैदेनगिरिफोरा सथानि जौसाङाव बाथ्राखौ रायज्लायफिन्नानै आनजादाव हैंथा जाया लासे उफेरा राव (additional language) हिसाबै असमिया रावखौ दाबो बर' फरायसाफोरनो सोलोंनो खाबु होनायनि राहा लानो नांगौ।

बर' सोदोब बिहुं : रावसोदोब सोलोंनो थाखाय नांगौ सोदोब बिहुं। असमिया, हिन्दी, बांला, इंराजी फरायसाफोरनि थाखाय नांगौबायदि गोबां रोखोमनि सोदोब बिहुं मोननो थाङा। नाथाय बर' फरायसाफोरा बेबायदि गेदेर गेदेर सोदोब बिहुं नुनो मोनाखै। जों मिथिगौ एबा मिथिनाइ बायदिब्ला मोनसे समाव दुलाराय हारियानो गोमानायनि लामायावमोन। जायनि थाखाय खना-खनला बर'सुबुंफ्रा गावनि राव हारिमुखौ खोमालांनो गोनां जादोंमोन। बेखायनो बे राव हारिमु गोमालांनाय सुबुंफोरनि थाखाय "बर' सोदोब बिहुं" खौ जोबोद गोनांथार। असमिया, हिन्दी, इंराजी बायदि रावफोरनिबादि गेदेर-गेदेर राव सोदोब बिहुंफोरखौ बर' साहित्य सभाया दिहुननायनि राहा खालानांगौ।

बर' खन्थायगिरि आरो लिरगिरि : मोनसे हारिखौ जौगाखांहोनायआव थुनलायआ गेदेर बिबान लानोहायो। थुनलायआ जोंखौ गोबां बाथ्रा फोरोङो, जोंनि हारिमुआरि बेसेनथिखौ जौगाहोयो। थुनलायआ जोंखौ फोरोङो-गीउनि सामायना बेसादफोरखौ आंगोथिनो। जोंबो मुलुगआव सिनायथि मोननो थाखाय जोंनि थुनलाय आरो

रावखौ गोजौ थाखोआव दैथाय लांबावनांगोन। बेखौ खालामनोब्ला खन्थायगिरि आरो लिरगिरिनि गोनांथार। नाथाय जों नुनो मोनबायदि बर'फोरनि एबा खोला कामरूपआव खन्थायगिरिनि आरो लिरगिरिनि आंखाल। लिरनाय, सुजुनायनि अनजिमाया खम। मानोना गावनि लिरनायफोरखौ फोसावनो हाया। खोलाथाराव बर' बिजोंनिफ्राय उथ्रिनाय फरायसाफोरा लिरनाय खन्थाय, रायथाय, सल', सल'मा, सुंद'सल', फावथाय, थुनफावथाय सेबखांनानै फोसाबनो हायैआव उन गोग्लैबाय थानांगौ गोनां जादों। बेनिखायनो लिरगिरि, थुनलायगिरि आरो खन्थायगिरिफ्रा बिथांमोननि लिरबिदां फोरखौ जायखि जाया बिसम्बि रेडिअ' आरो खौरांबिलाइनि गेजेर जों फोसावनानै गावनि रोंगौथिखौ बे मुलुगआय फोसावनानै आरो हारिनि गोदान लामा दिन्थिनांगौ।

**बर'सोलोंथाय** : सुबुंखौ गुनि-गियानि आरो थांना थानायाव देरहासार खालामनायानो सोलोंथायनि थांखि। थार सुबुं जिउ लामा दाग्रा सोलोंथायनि बे गोथार हाबाफारियाव दासिमहालागै जेंनाफोरखौ सुस्रांनायनि माखासे राहा होनाय जाबाय -

(क) से थाखोनिफ्राय गोजो थाखोसिम बर' बिजोंनि फरायसाफोरा नांगौ समाव एबा थि समाव बिजाबफोरखौ मोना। जायनि जाहोनआव फरायसाफोरा उनगोग्लैबाय थायो। बेफोर जेंनाखौ बर'साहित्य सभाया सरकार जों सावराय नानै थाब मोननायनि राहा खालामनांगौ।

(ख) बर' बिजोंआव एबा फरायसालिआव फोरोंगिरिनि अनजिमाया खम जानायलाय थाखोफोराव फारियै खालामनो हाया जायनि जाहोनाव Course आ जोबा। बेखायनो नांगौबायदि फोरोंगिरि थिसनानायनि राहा खालामनांगौ बर'साहित्य सभाया।

(ग) राजखान्थि आरो माखासे आफादनि बिबानगिरि जानानै थायो बर' बिजोंनि माखासे फोरोंगिरिया थि समाव थाखो खालामनो हाया।

(घ) सानखान्थि आरो गोनोखो फोरोंनो थाखाय B.Sc. फोरोंगिरिनि आंखाला जोंनि मोनसे माहारीआरी लोरबांथि। गोबां फरायसाया बे मोन्नै सोलोंबिथिं आवनो गले गले उथ्रिनो हायैनि थाखाय फरायसाली गारनो गोनां जायो। बर' साहित्य सभाया B.Sc., B.A., M.A. फरायसाफोरा जाहाथे उथ्रिनो हायो बेनि थाखाय राहा खालामना होनांगौ।

(ङ) बर' बिजोंआव फरायसानि अनजिमाया खमिलांदों बेनिखायनो इयुनाव जाते फरायसानि अनजिमाया बाङो, बेनि सायाव बेच खालामनानै गामि ओनसोलाव बिमा-बिफा, फोरोंगिरि आरो फरायसाफोरखौ लानानै सावरायनो नांगौ बर' साहित्य सभाया।

गौथुमारी सुबुंगोहो दानाया मोनसे हारिनि सोलोंथायनि सायावनो सोनारो। गोख्रों गौथुमारी सुबुंगोहो थाबोला मोजोमसे अनजिमानि माहारिआबो मुलुकआव गोजौ मासियाव जिराइनो खाबु मोनो। इंलेण्डनि इंराजफोरा बेनि बिदिन्थि। बर' सोलोंथाया थारै गोसारनो खाबु मोनाबा समाजनि जौगा जिउ दानानै गोख्रों गौथुमारि सुबुं-गोहो फसंनो गोनां एंगारहायै हाबाफरिया अरायनि थाखाय सिमांल' जानानै थागोन। ❑